# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-11-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই আজি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰথম দিক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত ১৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰা হয়। ইয়াৰ উপৰি অভিনয় জগতত দীৰ্ঘদিন ধৰি উল্লেখযোগ্য বৰঙণি আগবঢ়োৱাৰ বাবে বিশিষ্ট অভিনেতা বিষ্ণু খাৰঘৰীয়া আৰু সত্ৰীয় সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা  কৰুণা বৰাক বিশ্ববিদ্যালয়খনে ডক্টৰেট ডিগ্ৰীৰে সন্মানিত কৰে। ৰাজ্যপালগৰাকীয়ে ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰাৰ লগতে আজিৰ অনুষ্ঠানটো সুচাৰুৰূপে আয়োজন কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক প্ৰশংসা কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে মাজুলীলৈ যোৱা ৰাজ্যপালগৰাকীয়ে আজি কমলাবাৰী ঘাট পৰিদৰ্শন কৰি ঘাটটোৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ লগতে অঞ্চলটোৰ গৰাখহনীয়া পৰিদৰ্শন কৰে। ভ্ৰমণৰ অংশ হিচাপে কাইলৈ তেওঁ উত্তৰ কমলাবাৰী সত্ৰ, বেঙেনাআঁটি সত্ৰ, চামগুৰি সত্ৰ আদি পৰিদৰ্শন কৰিব।

ooooo

কৃষিমন্ত্ৰী অতুল বৰাই ৰাজ্যৰ নৱ প্ৰজন্মক বিদ্যালয়ৰ পাঠ্যক্ৰমৰ লগতে কৃষিৰ জ্ঞান তথা অভিজ্ঞতা আহৰণৰ সুবিধা প্ৰদান কৰা উচিত বুলি   প্ৰকাশ কৰিছে। মন্ত্ৰী বৰাই আজি যোৰহাট জিলাৰ চিনামৰাৰ এখন বিদ্যালয়ৰ ভূমিত শিক্ষাৰ্থীসকলৰ সৈতে ধান কটাৰ শুভাৰম্ভ কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, যদিহে ৰাজ্যৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহে বিদ্যালয় পৰ্যায়ৰ পৰা শিক্ষাৰ্থীসকলক কৃষি কৰ্মৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ সক্ষম হয় তেতিয়া শিক্ষাৰ্থীসকলে বিভিন্ন বৃত্তিৰ লগতে কৃষি বিজ্ঞানী তথা কৃষি কৰ্মৰ প্ৰতি আগ্ৰহী হ'ব। ইয়াৰ ফলত তেওঁলোক কৃষিকৰ্মৰ জৰিয়তে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ লগতে ৰাজ্যৰ অৰ্থনীতিয়ে এটা যোগাত্মক দিশ লাভ কৰিব। কৃষিভিত্তিক ৰাজ্য হিচাপে অসমত দক্ষ কৃষক আৰু কৃষি উদ্যোগীৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়খনে হাতত লোৱা এনে ধৰণৰ প্ৰচেষ্টাক মন্ত্ৰীগৰাকীয়ে প্ৰশংসা কৰিছে। তেওঁ কয় যে, বিদ্যালয়ৰ গুণগত শিক্ষা প্ৰদানৰ সমান্তৰালকৈ বিদ্যালয়খনে বহনক্ষম কৃষি পদ্ধতিৰ প্ৰসাৰৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য নিদৰ্শন দাঙি ধৰিছে। তেওঁ ৰাজ্যৰ বহনক্ষম ভৱিষ্যত গঢ়ি তোলাৰ ক্ষেত্ৰত এনে ধৰণৰ পদক্ষেপক অনুকৰণ কৰি ৰাজ্যৰ অৰ্থনীতিক এটা নতুন মাত্ৰা প্ৰদান কৰাৰ বাবে সকলোৰে প্ৰতি আহ্বান জনাইছে। উল্লেখযোগ্য যে ছাত্ৰ-ছাত্ৰীসকলক কৃষিৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে ব্যৱহাৰিক জ্ঞান দিয়াৰ উদ্দেশ্যে তেওঁলোকৰ দ্বাৰা কঠিয়া ৰোপণ কৰা হৈছিল।

ooooo

ৰাজ্যৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনলৈ মাজত ৪টা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চিদলী আৰু বঙাইগাঁও বিধানসভা সমষ্টিত

বিজেপি আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। চিদলীৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ সমৰ্থনত কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী সোণোৱালে বাসুগাঁৱত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাখনত সাংসদ জয়ন্ত বসুমতাৰী, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগতে মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, মন্ত্ৰী অশোক সিংহলৰ লগতে বিজেপি আৰু ইউ পি পি এলৰ সমৰ্থক উপস্থিত থাকে।

চামগুৰি বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মাৰ হৈ আজি মন্ত্ৰী কেশৱ মহন্তই কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এই প্ৰচাৰ সভাত প্ৰাৰ্থীগৰাকীৰ লগতে বিধায়ক ৰূপক শৰ্মা, বিজেপি আৰু অগপৰ কেইবাজনো নেতা উপস্থিত থাকে।

সমষ্টিটোত কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইনেও প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বিহালী সমষ্টিত বিজেপি, কংগ্ৰেছ আৰু চি পি আই এম এলে প্ৰচাৰ চলাইছে। বিজেপিৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ আজি সাংসদ ৰঞ্জিত দত্তই বিহালীৰ বিহপুখুৰীত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

০০০০০

দক্ষিণ কৰিমগঞ্জ সংহত শিশু উন্নয়ন আঁচনিৰ অধীনত ৪৪টা অংনবাড়ী কেন্দ্ৰৰ ভিতৰত ১০টা কেন্দ্ৰত অংগনবাড়ী কৰ্মী আৰু ৩৪ টা কেন্দ্ৰত অংগনবাড়ী সহায়ক নিযুক্তিৰ বাবে আবেদন আহ্বান কৰা হৈছে। ইচ্ছুক প্ৰাৰ্থীসকলে প্ৰয়োজনীয় নথি-পত্ৰ আৰু পাছপোৰ্ট আকাৰৰ ফটোৰ দুটা কপিৰ লগতে নিৰ্ধাৰিত আৰ্হিত আবেদন দাখিল কৰিব লাগিব। অংগনহবাড়ী কৰ্মীৰ শিক্ষাগত অৰ্হতা উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ আৰু অংগনবাড়ী সহায়িকা পদৰ বাবে হাইস্কুল শিক্ষান্ত উত্তীৰ্ণ হ'ব লাগিব।

০০০০০

তামিলনাডুৰ বিৰুদ্ধে গুৱাহাটীৰ বৰ্ষাপাৰাত চলি থকা ৰঞ্জী ট্ৰফীৰ চাৰি দিনীয়া খেলখনত অসমে প্ৰথম ইনিংছত ১০৭ ৰানৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। তামিলনাডুৰ প্ৰথম ইনিংছত কৰা ৩৩৮ ৰানৰ প্ৰত্যুত্তৰত অসমে আজি তৃতীয় দিনা প্ৰথম ইনিংছত ৪৪৫ ৰান সংগ্ৰহ কৰে। দিনটোৰ খেলৰ সামৰণিত তামিলনাডুৱে এটাও উইকেট নেহেৰুৱাকৈ ৮ ৰান সংগ্ৰহ কৰিছে। আৰু এটা দিনৰ খেল বাকী থকা অৱস্থাত তামিলনাডু ৯৯ ৰানত পিছ পৰি আছে। উল্লেখযোগ্য যে আজি অসমৰ ইনিংছত অধিনায়ক ডেনিছ দাসে শতক অৰ্জন কৰাৰ লগতে স্বৰূপম পুৰকায়স্থই ৯০ আৰু শিৱশংকৰ ৰয়ে ৬৯ ৰান কৰে। ডেনিছ দাস ১০৯ ৰান কৰি আউট হয়।

০০০০০

সমাপ্ত